**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬২৩/২০১৯**

# অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

**দিছপুৰ, ৩০ ডিচেম্বৰ ঃ** আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ এক বৈঠক অনুষ্ঠিত হয়। বৈঠকত সন্মিলনীৰ বিভিন্ন দাবী সম্পৰ্কত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে প্ৰাথমিক বিদ্যালয় সমূহত জ্যেষ্ঠ সহকাৰী শিক্ষকক প্ৰধান শিক্ষকলৈ পদোন্নতি দিয়াৰ ক্ষেত্ৰত যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ শিক্ষা বিভাগক নিৰ্দেশ দিয়ে। আজিৰ এই বৈঠকত গ্ৰেড পে, অৰ্জিত চুটি, ছাত্ৰ-ছাত্ৰীসকলক ইউনিফৰ্ম প্ৰদান ইত্যাদি বিভিন্ন বিষয়ৰ ক্ষেত্ৰত যথোচিত পদক্ষেপ গ্ৰহণ কৰাৰ বাবেও শিক্ষা আৰু বিত্ত বিভাগক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ সিনহা, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়া প্ৰমুখ্যে জ্যেষ্ঠ বিষয়া সকল উপস্থিত থাকে।

**পুঃডেঃ/ বঃভাঃ**
**৩০-১২-২০১৯**